অসমীয়া প্ৰতিদিন

বঞ্চিত-প্ৰতাৰিত শিক্ষকৰ আজি বিক্ষোভ

■ প্ৰথম পৃষ্ঠাৰ পৰা

শৰ্তৰ প্ৰস্তাৱনাৰ বিৰুদ্ধে কাইটাল প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিছে কেইটাগৈ শিক্ষক সংগঠনে। চৰকাৰী বঞ্চনাৰ বিৰুদ্ধে কাইটাল অসম অভ্যাগতীকৃত মাধ্যমিক শিক্ষক-কৰ্মচাৰী মঞ্চই গুৱাহাটীৰ লতাশীল বৰা ক্ষেত্ৰত অনশন, অসম শিক্ষক-কৰ্মচাৰী ঐক্যমঞ্চই নীমতী-পুখুৰীৰ পৰত অৱস্থান ধৰ্মঘট, ১৫ আগষ্ট নৰমহা নোলোৱা সংগৈ বি টি এ ডি এল সি ইউ সি ঠিকাভিত্তিক টেট শিক্ষক সন্থই চিবং জিলাত কেন্দ্ৰীয়ভাৱে ধৰ্মঘট কাৰ্যসূচী, মৰিগাঁও, নগাঁও, শোণিতপুৰ, লখিমপুৰ আৰু ধেমাজি জিলাৰ বেতনবঞ্চিত শিক্ষকে সহি সম্বলিত লখিমপুৰৰ ত্যাগ ক্ষেত্ৰত প্ৰতিবাদী কাৰ্যসূচী আৰু সংগৈ অসম স্বীকৃতিপ্ৰাপ্ত মৰা ইংৰাজী শিক্ষক সন্থৰ তিনিচুকীয়া জিলা সমিতিয়ে ৪৫ জন শিক্ষানুষ্ঠানত প্ৰশেশিকীকৰণ বঞ্চনা সভা অনুষ্ঠিত কৰিব। শিক্ষক দিৱসৰ দৰে এটা অনুষ্ঠান বৰ্জন কৰি, ঘৰ ঘৰীৰ মৰম-চেহেৰ আৰুৱাই এৰি আন্দোলন কৰিবলৈ বাধ্যকৰিলে ওলাই আহিবলগা পৰিবেশ স্বাভাৱিকতেই উদ্বেগ সৃষ্টি কৰিছে। বেদনাত দিন পাৰ কৰিবলগা হৈছে ঘৰ ঘৰীৰ জীৱন গঢ়া বাজাৰ শিক্ষকে।

উল্লেখ্য যে ৰাজ্য চৰকাৰে অসম জেলাৰ শিক্ষানুষ্ঠান (পদ প্ৰশেশিকীকৰণ) আইন, ২০১১ সালৰ কৰিলে যদিও পদ প্ৰশেশিকীকৰণৰ পৰা বঞ্চিত হৈ ৰ'ল বাজাৰ হেজাৰ হেজাৰ শিক্ষক। পদ প্ৰশেশিকীকৰণ আইনৰ আওতাত পৰা নাই শিক্ষকৰ পদ প্ৰশেশিকীকৰণ নোহোৱাৰ বিপৰীতে আইনত থকা কেতবোৰ ধাৰা-উপধাৰাৰ বাবেই আইনৰ আওতাত নপৰাকৈ থাকি গ'ল বুজন পৰিমাণৰ অসম এচাৰ্ম শিক্ষক। প্ৰায় তথ্যমতে আইনৰ আওতাত পৰা আৰু আইনৰ বাহিৰত থকা প্ৰায় ৭০ হেজাৰ শিক্ষক আজিৰ তাৰিখত পদ প্ৰশেশিকীকৰণৰ পৰা বঞ্চিত হৈ আছে। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে জেলাৰ শিক্ষানুষ্ঠান প্ৰশেশিকীকৰণৰ দাবীত বিগত সময়ছোৱাত ধাৰাবাহিকভাৱে আন্দোলন কৰি আহিছে শিক্ষক সংগঠনে। অনেকে পদ প্ৰশেশিকীকৰণৰ পৰা বঞ্চিত হৈ যোৱা সময়ছোৱাত কেইবাজনো শিক্ষকে আত্মহত্যা কৰিবলগা হৈছে। এনেদৰে দিন বেতনে অৱসৰ লৈছে শিক্ষকে। অলপতে এক শিক্ষক সংগঠনে প্ৰকাশ কৰা তথ্য অনুসৰি কংগ্ৰেছৰ আমোলৰ পৰা বিজেপি চৰকাৰলৈ ৩৮ জন শিক্ষকে আত্মহত্যা কৰিছে, ১০৭ জন শিক্ষকে বিনা বেতনে অৱসৰ লৈছে। কিন্তু পুখানুপুখভাৱে হিচাপ কৰিলে প্ৰাথমিক স্তৰৰ পৰা মহাবিদ্যালয়লৈকে জেলাৰ শিক্ষানুষ্ঠানৰ শিক্ষকে আত্মহত্যা কৰা বা বিনা বেতনে অৱসৰ লোৱাৰ পৰিসংখ্যাই শিক্ষক সংগঠনৰ তথ্যক নিশ্চিতভাৱে অতিক্ৰম কৰিব। মন কৰিবলগীয়া যে অলপতে ঠিকাভিত্তিক টেট শিক্ষকেও আত্মহত্যা কৰাৰ ঘটনা সংঘটিত হৈছে ৰাজ্যত।

উল্লেখ্য যে কাইটাল লক্ষীধৰ বৰা ক্ষেত্ৰত পুৱা ১০ বজাৰ পৰা অনশন কৰিবলগীয়া অসম অভ্যাগতীকৃত মাধ্যমিক শিক্ষক-কৰ্মচাৰী সন্থৰ সম্পাদক সূত্ৰে কয় যে আইন অনুসৰি অনুমতি আৰু স্বীকৃতিৰ পৰা সত বছৰ সম্পূৰ্ণ কৰা মাধ্যমিক পৰ্যায়ৰ ৪৪৭ জন শিক্ষানুষ্ঠানত কৰ্মৰত ৫,২৩৭ জন শিক্ষক-কৰ্মচাৰীৰ পদ প্ৰশেশিকীকৰণৰ বাবে যোগ্য বুলি বিবেচিত হৈছিল। কিন্তু যোগ্য সময়ছোৱাত কাহেছে চৰকাৰ আৰু বৰ্তমান বিজেপি চৰকাৰে নিযুক্তি প্ৰদান কৰা নাই। সম্পাদক সূত্ৰে কয়— 'বৰ্তমানৰ শিক্ষা মন্ত্ৰী হিমন্তবিশ্ব শৰ্মাই নিৰ্বাচনৰ পূৰ্বে বিজেপি চৰকাৰ আহিলে প্ৰথম কেবিনেট বা বিধানসভাৰ অধিবেশনতে পদ প্ৰশেশিকীকৰণৰ বিষয়টোত ব্যৱস্থা গ্ৰহণ প্ৰতিশ্ৰুতি দিছিল। কিন্তু ক্ষমতাত অধিষ্ঠিত হোৱাৰ পিছত মন্ত্ৰী শৰ্মাই সমগ্ৰ বিষয়টো লেহেমে কৰাৰ প্ৰচেষ্টাত লিপ্ত হৈছে। ঘৰবাৰেই কাইটাল হাতত কাঁহী-বাটি লৈ শিক্ষকসকলে অনশন কাৰ্যসূচী কপাঁয়ণ কৰিছে।' অসম শিক্ষক কৰ্মচাৰী ঐক্যমঞ্চয়ো চৰকাৰী বঞ্চনাত তীব্ৰ ক্ষোভ প্ৰকাশ কৰি কয়— 'শিক্ষা জীৱনৰ আদৰ্শ হিচাপে ঘৰ সৰ্বোপৰি ৰাষ্ট্ৰৰ সৰ্বোন্নতি মানি আহিছে আৰু ভৱিষ্যতলৈও মানি যাম। কিন্তু যদি জেলাৰ শিক্ষকে চৰকাৰী বঞ্চনাত হতাশাৰ কৰিবলগা হয়, শিক্ষক হিচাপে মৰ্যাদা দিয়া নহয় তেন্তে শিক্ষক দিৱসৰ দৰে আড়ম্বৰপূৰ্ণ কাৰ্যসূচী পালনৰ যুক্তি কি?' এনেদৰে সংগৈ বি টি এ ডি এল সি ইউ সি ঠিকাভিত্তিক টেট শিক্ষক সন্থৰ সম্পাদক সঞ্জয় সুত্ৰধৰে কয় যে যোগ্য ১০ মাত্ৰ বি টি এ ডিৰ চৰিশন জিলাত টেট শিক্ষকে প্ৰ সমস্যা লাভ কৰা নাই। সমস্যা নাপাই শিক্ষকসকলৰ অৱস্থা শমীষ্ট হাঁহ নাপৰে হৈছে। এনে বঞ্চনাৰ প্ৰতিবাদত শিক্ষক দিৱসৰ দৰে কাৰ্যসূচী পৰিহাৰ ক কাইটাল প্ৰতিবাদ কৰাৰ বাবে সন্থ যোগে বুলি সুত্ৰধৰে ক্ষোভ প্ৰকাশ কৰে। ইপিনে স্বীকৃতিপ্ৰাপ্ত মৰা ইংৰাজী শিক্ষক সন্থৰ তিনিচুকীয়া জিলা সমিতিয়ে চৰকাৰী বঞ্চনাৰ বিৰুদ্ধে এতোমহাতে ৪৫ শিক্ষানুষ্ঠানত প্ৰশেশিকীকৰণ বঞ্চনা সভা অনুষ্ঠিত কৰিব।

সতি-সন্তুতিক লৈ পাঁচ জিলাৰ বেতন বঞ্চিত শিক্ষকৰ প্ৰতিবাদ লখিমপুৰৰ ত্যাগক্ষেত্ৰত

■ লখিমপুৰৰ প্ৰতিনিধি সংবাদ ঃ বিগত ২০-২৫ বছৰৰ নিমাহেৰেনে শিক্ষকতাৰ সেৱা আগবঢ়োৱা অনিয়মীয়া শিক্ষক-শিক্ষয়িত্ৰীসকলে চাকৰি নিয়মীয়াকৰণৰ দাবীত উপৰ্যুপৰি আন্দোলন-প্ৰতিবাদ আদি কৰি অহাৰ পিছতো গুৰুত্বপূৰ্ণ এই সমস্যা সমাধানৰ ক্ষেত্ৰত চৰকাৰে কোনো পদক্ষেপ গ্ৰহণ নকৰাত অৱশেষত শিক্ষক দিৱসৰ দিনা অভিনৱ কাৰ্যসূচীৰে পুনৰ চৰকাৰক দাবী জনাবলৈ সিদ্ধান্ত লৈছে দুৰ্ভগীয়া শিক্ষকসকলে। উল্লেখ্য যে উত্তৰ অসম সাক্ষৰতাৰ অধীনস্থ স্টীনিং কমিটীয়ে পাঁচখন জিলা ক্ৰমে মৰিগাঁও, নগাঁও, শোণিতপুৰ, লখিমপুৰ আৰু ধেমাজি জিলাৰ ১৯৯১-২০০১ চনৰ ভিতৰত নিযুক্তিপ্ৰাপ্ত বেতনবঞ্চিত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ চাকৰিৰ মূল নথি-পত্ৰ পৰীক্ষা কৰি চৰকাৰক ত্ৰুটিপূৰ্ণ প্ৰতিবেদন দাখিল কৰাত শিক্ষকসকলৰ চাকৰি নিয়মীয়াকৰণৰ পথ ৰুদ্ধ হৈ পৰে। ইয়াৰ প্ৰতিবাদতে যোৱা ২১ আগষ্টৰ পিছত ২৩ আগষ্টৰ পৰা ২৬ আগষ্টলৈ শিক্ষকসকলে ধাৰাবাহিক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিছিল। প্ৰতিবাদী কাৰ্যসূচীৰ পিছত অসমৰ মুখ্যমন্ত্ৰী-শিক্ষা মন্ত্ৰীলৈ স্মৰণ কৰা স্মাৰকপত্ৰত ৪ ছেপ্টেম্বৰৰ ভিতৰত বেতনবঞ্চিত শিক্ষকৰ চাকৰি নিয়মীয়াকৰণৰ ক্ষেত্ৰত চৰকাৰে কোনো পদক্ষেপ নলালে ৫ ছেপ্টেম্বৰৰ শিক্ষক দিৱসত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণৰ সিদ্ধান্ত লোৱাৰ কথা চৰকাৰক জনোৱা হৈছিল যদিও চৰকাৰে এইক্ষেত্ৰত কোনো গুৰুত্ব আৰোপ নকৰাত সন্থই কাইটাল শিক্ষক দিৱস বৰ্জন কৰি সতি-সন্তুতিক লগত লৈ লখিমপুৰ নগৰৰ ত্যাগক্ষেত্ৰত প্ৰতিবাদী কাৰ্যসূচী কপায়ণ কৰিব। নৰমহাৰ নামত এটাও ঘুৰলৈ নোপোৱা শিক্ষক পিতৃ-মাতৃয়ে সন্তানক ন্যূনতম প্ৰয়োজনীয় সুবিধাবিনি প্ৰদান কৰিবলৈ ব্যৰ্থ হৈছে সেই সন্দৰ্ভত কাইটাল অৱস্থান ধৰ্মঘটৰ জৰিয়তে শিক্ষকসকলৰ সন্তানে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব। এই কাৰ্যসূচী নিজৰেৰ গ্ৰহণ কৰাৰ কথা আছিল যদিও বিশেষ অসুবিধাবশতঃ লখিমপুৰতে কাইটাল পুৱা দহ বজাৰ পৰা বিয়লি তিনি বজালৈকে এই কাৰ্যসূচী গ্ৰহণৰ সিদ্ধান্ত লোৱা হৈছে।

শিক্ষক দিৱসৰ শুভেচ্ছা ৰাজ্যপাল-মুখ্যমন্ত্ৰীৰ

শিক্ষক দিৱস উপলক্ষে ৰাজ্যৰ সকলো শিক্ষকলৈ শুভেচ্ছা জনাইছে ৰাজ্যপাল বনৱাৰীলাল পুৰোহিতে। এক বিবৃতি ৰাজ্যপালদাৱীয়ে কয়— 'এখন দেশৰ ভৱিষ্যৎ শিক্ষকসকলৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰ কৰে। শিক্ষক দিৱসৰ এই পবিত্ৰ ক্ষণত ৰাজ্যৰ শিক্ষক সমাজলৈ শুভেচ্ছা জনাইছো।' অন্যহাতে শিক্ষক দিৱস উপলক্ষে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে শিক্ষক সমাজলৈ আন্তৰিক শুভেচ্ছা জনাইছে। অন্যটি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে দেশ নিৰ্মাণত শিক্ষকসকলৰ অৱদান অপৰিসীম। শিক্ষকসকলে আমাক সত্য, কৰ্মতৎপৰতা আৰু সৰ্বোপৰি নৈতিক মূল্যবোধৰ শিক্ষা প্ৰদান কৰি ভৱিষ্যতে এক সুনাগৰিক হিচাপে গঢ়ি তুলি ৰাষ্ট্ৰ নিৰ্মাণৰ কামত ব্ৰতী হ'বলৈ শিকায়। জ্ঞান আৰু প্ৰজ্ঞাৰ সাধনাৰে ছাত্ৰ-ছাত্ৰীসকলক আগবঢ়ি যোৱাৰ বাবে শিক্ষক সমাজে সদায়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।